অধ্যায় ৩ ঃ সতী জয়মতী, প্রথম প্রবাহ (১৫-২৭)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ শ্লোকসমূহৰ (১৫-২৭) সংস্কৃত পাঠ

৩.৩.১ শ্লোকসমূহৰ শব্দার্থ

৩.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রথম প্রবাহৰ শ্লোকসমূহৰ (১৫-২৭) সংস্কৃত পাঠ পঢ়িব পাৰিব
- শ্লোকসমূহৰ প্রতিটো শব্দৰ অর্থ জানিব পাৰিব
- শ্লোকসমূহৰ অসমীয়া অনুবাদ পঢ়িব পাৰিব
- চুকাফাৰ বীৰত্বৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি সতী জয়মতী কাব্যৰ প্রণেতা ভৱদেৱ ভাগৱতীৰ বিষয়ে কিছু জানিলে। কাব্যখনৰ বিষয়বস্তুৰ লগতো পৰিচিত হ'ল। ইয়াৰ উপৰি কাব্যখনৰ প্রথম প্রবাহৰ (১-১৪) শ্লোকসমূহৰ সংস্কৃত পাঠ, শব্দার্থ তথা অসমীয়া অনুবাদ পঢ়িবলৈ সমর্থ হ'ল। আপুনি কামৰূপ প্রদেশৰ মনোমোহা বর্ণনাৰ বিষয়েও জানিলে। কামৰূপ ৰাজ্যত বিভিন্ন পৰাক্রমী ৰজাই ৰাজত্ব কৰিছিল। কথিত আছে যে দেৱৰাজ ইন্দ্রই সুন্দৰ কামৰূপৰ গুণ-ৰূপত মুগ্ধ হৈ স্বর্গৰ দেৱতাসকলক ইয়ালৈ (কামৰূপলৈ) আহি এই প্রদেশখনক অধিকাৰ কৰিবলৈ আদেশ দিছিল। চুকাফা আছিল এই প্রদেশৰ প্রথম বীৰ শ্রেষ্ঠ ৰজা।

এই অধ্যায়ত আপুনি চুকাফাৰ বীৰত্বৰ বিষয়ে পঢ়িব পাৰিব। চুকাফাৰ বীৰত্বৰ বর্ণনা থকা সংস্কৃত শ্লোকসমূহ, সেইবোৰৰ অসমীয়া অনুবাদো পঢ়িবলৈ সমর্থ হ'ব। ইয়াৰ উপৰি শ্লোকত থকা কঠিন শব্দবোৰৰ শব্দার্থও অধ্যায়টিৰ পৰা জানিব পাৰিব।

৩.৩ শ্লোকসমূহৰ সংস্কৃত পাঠ (১৫-২৭)

এতিয়া আপুনি সতী জয়মতী কাব্যৰ প্রথম প্রবাহৰ ( ) শ্লোকসমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব।

মৃগমদৰদধন্যে জাতকৌষেয়ৰম্য
উপবনযুজিদেশে চোৎসুকোহস্মিংশ্চুকাফা।
ভটগজপৃতনাভির্বিক্রমে কার্ত্তিকেয়ো
বিজয়সময়বাদ্যং বাদয়ন্ সম্প্রতস্থে।। ১৫।।
বিজিতসদননর্দ্দী শুদ্ধসাম্রাজ্যবাদী
স হি নৃপতি চুকাফাঃ প্রেত্য সৌমৰ পীঠম্।
পৰিজয়তি কিলাত্র ব্রীডিতং স্বস্তি হানাৎ
সপদি মটকভূপং ৰাষ্ট্রৰক্ষাপ্রসক্তম্।। ১৬।।
অবিজয়ত ততোহসৌ ভূমিপালো বিজিষ্ণু
র্বহু নৰপতিবর্গান্ কামপীঠে প্রসত্রান্।
যুৱকযুবতিমুখ্যা বালবৃদ্ধপ্রবীণা
ধবলিযশ উচুস্তস্য চাত্র প্রদেশে।। ১৭।।
নবনিখনিতভূমৌ বৃক্ষৰাজো যথা বৈ
ৰচয়তি দৃঢ়মূলং স্বল্পকালপ্রবৃত্ত্যা।
নবগতশুভভূমৌ গুপ্তসৈন্যৈকচক্ষু
শ্চিৰতৰসুখদাত্রীং প্রাপ বৈ ৰাজলক্ষ্মীম্।। ১৮।।
মুকুটমণিমৰীচির্দ্দীপ্যমানা সমন্তা
দহসদতিপ্রহাসৈর্দ্দিজৰাজং নঙঃ স্থম্।
শশিকৰনিকৰানাং কিন্তু কোপো ন জাতো
মধুৰমধুৰমেবং সজ্জনানাং চৰিত্রম্।। ১৯।।
দ্বিজমনসি স ৰাজা কল্পবৃক্ষস্বৰূপঃ
পৰিবভণুৰভীক্ষণং শ্রেয়সে তস্য বিপ্রাঃ।
ইদমতিবিৰলং যদ্বৌদ্ধধর্মাবলম্বী
গণয়তি সততং বৈ ব্রাহ্মণানন্য পূজ্যান্ ।। ২০।।
নহি চৰতি সুৰাজ্যে তস্কৰশ্চৌর্য্যবৃত্তিম্
ন চ জনপদকীর্তির্দূষিতা দুষ্টবৃন্দৈঃ।
ন চলতি জনতায়াং কামুকস্বৈৰকার্য্যম্
স ইহ প্রকৃতিপুঞ্জে সর্বসৌখ্যং দধাতি।। ২১।।
বিতৰতি বহুরূপ্যং যাচকেভ্যঃ শৰণ্য

স্তদপি ভবতি ৰিক্তো নাস্য কোষঃ কদাচিৎ।
অভিমতধনৰত্নং কল্পবৃক্ষো দদাতি
ভণতি ন তু বদান্যো দৈন্যবাক্যং কদাপি।। ২২।।
অথ জনপদসেব্যাং মাতৃভাষাং পবিত্রাং
নৃপতিৰিহ জগাদ স্বস্য বাচ্যং বিহায়।
বলবিজিতজনানাং ৰজ্জনে দত্তদৃষ্টে
র্ব্বদতি সততমেবং ভূপতেঃ সুপ্রশস্যম্।। ২৩।।
বিপুলজগতি সৌম্যা যস্য কীর্তিঃ প্রযাতা
কথমিহ বিবৃতির্ভো লিখ্যতে তস্য ৰাজ্ঞঃ।
বহুবিভববিধানে সর্বদাসৌ প্রবীণঃ
সুৰগণসহভোক্তা ভূতবান্ যোগ্যকালে।। ২৪।।
বিজয়বিভবপূর্ণে পূর্ণবংশে তদীয়ে
শতশতনৰনাথৈ ৰাজিতং তস্য ৰাজ্যম্।
সম্পদ মধিকর্ত্তু ভিত্রবংশ্যৈর্ন শক্তং
ভূবি কিলবিদিতাস্তে সর্বদাহোমনাম্না।। ২৫।।
সশিখৰগিৰিমালাবেষ্টিতং ৰাজ্যমেষাং
সমতলকুবিভাগৈর্বর্জ্জিতং সুষ্ঠু যস্মাৎ।
সুৰুচিৰমিতিহাসে শ্রেষ্টৰাজ্যং যতো বা
অসমমিতি সুসংজ্ঞাং দত্তবন্তো মহান্তঃ।। ২৬।।
অসমদ্ভূমিঃ সুৰূপা বিধিনিধিচৰমা সর্বদা শস্যকীর্ণা
যস্যাঃ পুত্রা বৰিষ্টা গুণগণবিমলা সম্পদা সর্বমান্যাঃ।
আসন্ কন্যাঃ প্রবীণাঃ সৰসিজনয়নাঃ কার্যদক্ষাঃ সুকেশাঃ
সম্প্রত্যস্মিন্ সংলভ্যং যুবযুবতিযুগং ধর্মবৃদ্ধৈঃ প্রবৃদ্ধৈঃ।। ২৭।।

৩.৩.১ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি এই শ্লোকসমূহৰ শব্দার্থৰ জ্ঞান লাভ কৰিব পাৰিব।

১৫নং শ্লোকৰ শব্দার্থ ঃ মৃগমদৰদধন্যে মৃগানাং কস্তুৰীণাং মৃগনাভিনাং তথা চ মদৰদানাং হস্তিদন্তানাং কৃতে ধন্যে বিখ্যাতে, (কস্তুৰীমৃগ আৰু হাতীদাঁতৰ দ্বাৰা বিখ্যাত) জাতকৌষেয়ৰম্যে কৃমিকোশজাতবস্ত্রশোভনে, (পোকৰ কোষৰ পৰা জন্মা বস্ত্রৰ দ্বাৰা সুন্দৰ) উপবনযুজি উদ্যানপৰিবৃতে (উপবনৰ দ্বাৰা আবৃত) অস্মিন্ দেশে উৎসুকঃ জাতোৎসাহঃ (এই দেশত হাবিয়াস কৰি) বিক্রমে কার্ত্তিকেয়ো চুকাফা পৰাক্রমে দেৱসেনানী ইব চুকাফা ইতি ৰাজা, (পৰাক্রমত কার্ত্তিকৰ দৰে চুকাফাই) ভটগজপৃতনাভিঃ যোদ্ধাহস্তিসেনাভিঃ যুথৈঃ সমাযুক্তঃ সন্ (হস্তী, যোদ্ধা আৰু সৈন্য সামন্ত লৈ) বিজয়

সময়বাদ্যং সমৰজয়কালোচিতং বাদ্যং সংগীতযন্ত্রং বাদয়ন্ শব্দায়য়ন্ (বিজয়ৰ ধ্বনি বজাই) সম্প্রতস্থে প্রস্থানং কৃতবান্ (এই দেশলৈ অর্থাৎ অসমভূমিলৈ যাত্রা কৰিলে)।

১৬ নং শ্লোকৰ শব্দার্থ ঃ বিজিতসদননর্দী বিজিতানাং সদনানাং সৌধানাং নর্দী ধ্বংসকাৰী (বিজিতসকলৰ প্রাসাদ চুৰমাৰ কৰা), শুদ্ধসামাজ্যবাদী সম্পূর্ণতয়া ৰাষ্ট্রস্বার্থ ৰক্ষণে বদ্ধসংকল্পঃ (নিখুঁত সামাজ্যবাদী অর্থাৎ ৰাষ্ট্রৰ হিতে সংকল্পবদ্ধ) সঃ নৃপতিঃ ৰাজা চুকাফাঃ (সেই ৰজা চুকাফাই) সৌমৰপীঠং সৌমাৰনামকং কামৰূপীয়পূর্বপ্রভাগং (সৌমাৰ পীঠলৈ অর্থাৎ কামৰূপৰ পূর্বভাগলৈ) প্রেত্য সমাগত্য (আহি) স্বস্তিহানাৎ নিজৰাজ্যস্য কল্যাণনাশাদ্ (নিজৰাজ্যৰ মংগল আতৰি যোৱাত) ব্রীডিতং জাতলজ্জং (লজ্জিত হোৱা) ৰাষ্ট্রৰক্ষা প্রসক্তং ৰাজ্যৰক্ষণে কৃতযত্নং (ৰাজ্যৰক্ষাত নিযুক্ত থকা) মটকভূপং মটকাখ্যৰাজ্যস্য নৃপতিং (মটক ৰজাক) সপদি শীঘ্রমেব (তৎক্ষণাৎ) পৰিজয়তি (পৰাজয় কৰিলে)।

১৭নং শ্লোকৰ শব্দার্থ ঃ ততঃ তদনন্তৰম্ (তাৰ পিছত) অসৌ বিজিষ্ণুঃ জেতুমিচ্ছুঃ (এই বিজয়ৰ বাবে ইচ্ছুক) ভূমিপালঃ নৃপতিঃ চুকাফা ইতি নামকঃ (ৰজা চুকাফাই) কামপীঠে তন্নামকে কামৰূপীয়মধ্যপ্রভাগে (কামপীঠ নামৰ কামৰূপৰ মধ্যভাগত) প্রসন্নান্ সানন্দং স্থিতান্ (আনন্দেৰে বাস কৰা) বহুনৰপতিবর্গান্ অনেকভূপান্ (বহুতো ৰজাক) অবিজয়ত জিতবান্ (পৰাজয় কৰিলে) চ অত্র প্রদেশে অস্মিন্ কামৰূপাখ্যে দেশে (আৰু এই কামৰূপ প্রদেশতে) বালবৃদ্ধপ্রবীণা শিশুস্থবিৰপ্রাজ্ঞাঃ (ল'ৰা, বুঢ়া, জ্ঞানী আৰু যুৱক-যুৱতীসকলে) তস্য ধ বলিতযশঃ শুভ্রকীর্তিসমূহং (সেই চুকাফাৰ বিমল যশস্যা) উচুঃ কীর্ত্তয়ন্তি স্ম (গাবলৈ ধৰিলে)।

১৮নং শ্লোকৰ শব্দার্থ ঃ নবনিখনিতভূমৌ সদ্যঃ কর্ষিতমৃত্তিকায়াং (নতুনকৈ চহ কৰা মাটিত) বৃক্ষৰাজো বৃহদাকাৰাঃ পাদপঃ (প্রকাণ্ড গছে), স্বল্পকালপ্রবৃত্ত্যা অল্পসময়ব্যতীতেন (কিছুদিনৰ ভিতৰতে) যথা দৃঢ়মূলং ৰচয়তি দৃঢ়ং গভীৰং মূলং ধাৰয়তি (দৃঢ়মূল যেনেদৰে সৃষ্টি কৰে) তথা নবগতশুভ ভূমৌ সদ্যঃ লব্ধপুণ্যৰাজ্যে কামৰূপপ্রদেশে (তেনেদৰে নতুনকৈ লাভ কৰা শুভ কামৰূপ প্রদেশত) গুপ্তটসন্যৈকচক্ষু চাৰৈকনেত্রঃ অসৌ ৰাজা (গুপ্তচৰৰ চকুৰে চোৱা) চিৰতৰসুখদাত্রীং নিৰন্তৰং কল্যাণপ্রাপয়িত্রীং (তেওঁ চিৰকাল সুখ বিলোৱা) ৰাজলক্ষ্মীং ৰাজ্যশ্রিয়ং প্রাপ লব্ধবান্ (ৰাজলক্ষ্মী লাভ কৰিলে)।

১৯নং শ্লোকৰ শব্দার্থ ঃ সমন্তাৎ সর্বত্র (চাৰিওফালে) দীপ্যমানা প্রকাশিতা (প্রকাশিত) তস্য ৰাজ্ঞঃ মুকুটমণিমৰীচিঃ কিৰীটৰত্নপ্রভা (সেই ৰজা চুকাফাৰ মুকুট মণিৰ পোহৰে) নভঃস্থং দিবস্থিতং (আকাশত থকা) দ্বিজৰাজং চন্দ্রং (চন্দ্রক) অতিপ্রহাসৈঃ অট্টহাস্যেন (প্রহাসৰ দ্বাৰা) অহসদ্ হসিতবান্ (হাঁহিছিল) কিন্তু শশিকৰনিকৰাণাং চন্দ্রগভস্তিসমূহানাং (কিন্তু চন্দ্রৰ জোনাকবোৰৰ) কোপো ন জাতো ক্রোধঃ ন জনিতঃ (কোনো খং জন্মা নাছিল) সজ্জনানাং মহতাং (সৎলোকৰ) চৰিত্রম্ আচৰণং (আচৰণ) মধুৰমধুৰমেবং সুষ্ঠু মধুৰং ভবতি (এনে সুমধুৰ হয়)।

২০নং শ্লোকৰ শব্দার্থ ঃ দ্বিজমনসি ব্রাহ্মণানাং চিত্তে (ব্রাহ্মণসকলৰ মনত) স ৰাজা চুকাফা ইতি (সেই চুকাফা ৰজা) ***কল্পবৃক্ষস্বৰূপঃ*** কল্পপাদপতুল্যঃ আসীৎ (কল্পবৃক্ষৰ সমান আছিল) তস্য শ্রেয়সে কল্যাণায় (তেওঁৰ কল্যাণৰ বাবে) বিপ্রাঃ ব্রাহ্মণাঃ (ব্রাহ্মণসকলে) অভীক্ষণম্ অনবৰতং (বাৰে বাৰে) পৰিবভণুঃ আশিষঃ দদতুঃ (আশীৰ্বাদ কৰিছিল)। যৎ বৌদ্ধধর্মাৱলম্বী বুদ্ধমতানুগতঃ একঃ ৰাজা (বৌদ্ধধর্মী এজন ৰজাই অর্থাৎ চুকাফাই) অন্যপূজ্যান্ অন্যৈঃ হিন্দুধর্মীয়ৈঃ জনৈঃ (অন্য পূজনীয় হিন্দু) ব্রাহ্মণান্ বিপ্রান্ (ব্রাহ্মণসকলক) সততং সর্বদা (সদায়েই) গণয়তি পূজয়তি (পূজা কৰিছিল) ইদম্ অতিবিৰলম্ সত্যমেব আশ্চর্যকৰম্ (এইটো জগতত অতি বিৰল)।

২১নং শ্লোকৰ শব্দার্থ ঃ তস্য ৰাজ্ঞঃ চুকাফানামকস্য সুৰাজ্যে শোভনে প্রদেশে (তেওঁৰ অর্থাৎ চুকাফাৰ সুন্দৰ ৰাজ্যত) তস্কৰঃ চৌৰঃ (চোৰে) চৌর্যবৃত্তিং দ্রব্যাপহৰণাদিকং (চুৰ) ন হি চৰতি কৰোতি (নকৰিছিল) দুষ্টবৃন্দৈঃ শঠাদিভিঃ (দুষ্টবোৰে) জনপদকীর্তিঃ ৰাজ্যগৌৰৱং (ৰাজ্যৰ সুখ্যাতিত) ন দূষিতা ন মলিনীকৃতম্ (কলংক সনা নাছিল) জনতায়াং প্রজাসু (প্রজাসমূহৰ ভিতৰত) কামুকস্বৈৰকার্যং কামবশানাং স্বৈৰকার্যং স্বেচ্ছাচাৰঃ (কামুকৰ স্বেচ্ছাচাৰিতা) ন চলতি ন বর্ততে (নচলিছিল)। ইহ অত্র কামৰূপপ্রদেশে (এই কামৰূপপ্রদেশত) স চুকাফা ইতি ৰাজা (সেই ৰজা চুকাফাই) প্রকৃতিপুঞ্জে প্রজাসমূহে (প্রজাসকলৰ মাজত) সর্বসৌখ্যং সর্বপ্রকাৰকং সুখজাতং (সকলো সুখ) দধাতি জনয়তি (দাঙি ধৰিছিল)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পৰাক্রমত চুকাফা কাৰ নিচিনা?

.....

প্রশ্ন নং ২ ঃ সৌমাৰ পীঠলৈ আহি চুকাফাই কাক পৰাস্ত কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ চুকাফাই ক'ত আনন্দ মনেৰে বাস কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ চুকাফাক কোনবিধ বৃক্ষৰ লগত তুলনা কৰা হৈছে?

.....

প্রশ্ন নং ৫ ঃ প্রথমতে চুকাফাৰ কি ধর্মৰ প্রতি আনুগত্য আছিল?

.....



জানি থোৱা ভাল

- সংস্কৃত কাব্যত যশস্যাক শুভ্র ৰঙৰ লগত তুলনা কৰা দেখা যায়। (ৰাজ্ঞঃ যশঃ ধ্বলিতং শুভ্রমিতি কথ্যতে)



কল্পবৃক্ষ ঃ স্বর্গীয় বৃক্ষ। দানশীল পুৰুষক কল্পবৃক্ষৰ লগত তুলনা কৰা হয়।

- গুপ্তচৰসকলক ৰজাৰ দ্বিতীয় চকু বুলি কোৱা হয়। (চাৰৈঃ এব ৰাজানঃ পশ্যন্তি ইতি কথ্যতে)
- 'মুকুট মণিমৰীচি' এই শব্দটোৰ 'পঞ্চতন্ত্ৰ'ত উল্লেখ আছে।
- 'চন্দ্ৰ'ক সংস্কৃত সাহিত্যত 'দ্বিজৰাজ' বুলি আখ্যা দিয়া হয়।
- কল্পবৃক্ষ স্বৰ্গীয় বৃক্ষ। এইডাল সমুদ্ৰমথনকালত উদ্ধাৰ হৈছিল আৰু ইয়াৰ পৰা মানুহে বাঞ্ছিত ফল লাভ কৰিব পাৰে।

২২নং শ্লোকৰ শব্দাৰ্থ ঃ শৰণ্যঃ সৰ্বেষাম্ আশ্ৰয়ৰূপঃ স ৰাজা (আশ্ৰিতৰ আশ্ৰয় স্বৰূপ সেই ৰজাই) যাচকেভ্যঃ অৰ্থিজনেভ্যঃ (ভিক্ষাৰীবিলাকক) বহুৰূপ্যং প্ৰভূতং ধনং (বহু ধন) বিতৰতি দদাতি (দান কৰিছিল) তথাপি পৰন্তু (কিন্তু) অস্য কোষঃ ধনভাণ্ডাৰং (চুকাফাৰ ৰাজভড়াল) কদাচিৎ কদাপি (কেতিয়াও) ৰিক্তঃ শূন্যঃ ন ভবতি (শূন্য হোৱা নাছিল)। বদান্যঃ উদাৰঃ (দানশীল) কল্পবৃক্ষঃ বাঞ্ছা তৰুঃ জনেভ্যঃ অভিমতধনৰত্নং জনানাম ইচ্ছানুসাৰম্ ঐশ্চাৰ্যাদিকং (কল্পবৃক্ষই মানুহৰ ইচ্ছা অনুসাৰে ধন-ৰত্নাদি) দদাতি যচ্ছতি (দিয়ে) তু পৰন্তু কদাপি (কিন্তু কেতিয়াও) দৈন্যবাক্যং দীনবচনং দাৰিদ্যবিষয়কং (দৰিদ্ৰতাৰ কথা) ন ভণতি ন কথয়তি (নকয়)

২৩নং শ্লোকৰ শব্দাৰ্থ ঃ অথ অনন্তৰং (ইয়াৰ পিছত) নৃপতিঃ য ৰাজা (সেই ৰজা চুকাফাই) স্বস্য আত্মনঃ (নিজৰ) বাচ্যং ভাষাং (ভাষাক) বিহায় পৰিত্যজ্য (ত্যাগ কৰি) জনপদসেৱ্যাং অত্রত্যমান্যাং (কামৰূপ প্ৰদেশত প্ৰচলিত) পবিত্ৰাং পুণ্যময়ীং মধুৰাং বা (পবিত্ৰ) মাতৃভাষাং জনভাষাং (মাতৃভাষাক অৰ্থাৎ জনতাৰ ভাষাক) জগাদ বক্তুং প্ৰাৰভত (ক'বলৈ ধৰিলে) বলবিজিতজনানাং পৰাক্ৰমৈঃ বশীকৃতানাং জনানাং (বলেৰে জয় কৰা প্ৰজাসকলক) ৰঞ্জনে সন্তোষ প্ৰদানে (সন্তুষ্ট কৰিবলৈ) দত্তদৃষ্টৈঃ নিবদ্ধেক্ষণস্য (চকু ৰখা) ভূপতেঃ ৰাজ্ঞঃ (চুকাফাৰ) এবং ঈদৃশং (এনে কাম) সুপ্ৰশস্যং প্ৰশংসনীয়ং কৰ্ম ইতি জনঃ সততং বদতি (প্ৰশংসনীয় বুলি মানুহে সদায় কয়)।

২৪নং শ্লোকৰ শব্দাৰ্থ ঃ ভো সৌম্যা হে জ্ঞানিনঃ (হে সাধুসকল) বিপুলজগতি সমগ্ৰায়াং পৃথিব্যাং (বিশাল পৃথিৰীত) যস্য ৰাজ্ঞঃ (যাৰ অৰ্থাৎ ৰজা চুকাফাৰ) কীৰ্ত্তিঃ যশঃ (যশস্যা) প্ৰয়াতা বিস্তৃতা (বিয়পিছিল) তস্য ৰাজ্ঞঃ (সেই ৰজাৰ) বিবৃতিঃ বিৱৰণম্ (বৰ্ণনা) ইহ অস্মিন্ কাব্যে (এই কাব্যত) কথং লিখ্যতে সাধাৰণকবিনা কথং প্ৰস্তুয়তে (এই সামান্য কবিজনাই) কেনেকৈ প্ৰস্তুত কৰিব। বহুবিভববিধানে অশেষসম্পদাহৰণে (বহু ঐশ্বৰ্য্য লাভ কৰাত) সৰ্বদা নিত্যং (সদায়) প্ৰবীণঃ কুশলঃ (সুনিপুণ) অসৌ ৰাজা (এই ৰজা) যোগ্যকালে যথোচিত সময়ে (উপযুক্ত সময়ত) সুৰগণসহভোক্তা দেৱসংগসহচাৰী (দেৱতাসকলেৰে সৈতে) ভোগী ভূতবান্ ভোগী অভবৎ (হৈছিল)।

২৫নং শ্লোকৰ শব্দাৰ্থ ঃ বিজয়বিভবপূৰ্ণে ৰাজ্য জয়কাৰ্যেণ সমুত্থিত সম্পৎ মণ্ডিতে (বিজয়ৰ স্বৰূপ বিভৱেৰে) তদীয়ে তস্য ৰাজ্ঞঃ (সেই ৰজা চুকাফাৰ) পূৰ্ণবংশে পৰিপূৰ্ণকুলে (পৰিপূৰ্ণ বংশত) শতশতনৰনাথৈঃ অনেকনৃপতিভিঃ (শত শত নৰপতিয়ে) তস্য ৰাজ্যং

ৰাজিতম্ অলংকৃতম্ অভবৎ (তেওঁৰ ৰাজ্য অলংকৃত কৰিছিল)। ভিন্নবংশ্যৈঃ অন্যকুলজৈঃ নৃপৈঃ (অন্য বংশৰ ৰজাই) সমপদং তৈঃ সহ একমেব স্থানম্ (তেওঁলোকৰ সমান স্থান) অধিকর্ত্তুং লব্ধুং (অধিকাৰ কৰিবলৈ) ন শক্তম্ ন সমর্থম্ (অসমর্থ আছিল) তে চুকাফাবংশীয়নৃপাঃ (সেই চুকাফাবংশীয় ৰজাসকল) সর্বদা সদা (সদায়) ভুবি পৃথিব্যাং (পৃথিৱীত) আহোমনাম্না আহোম ইতি নাম্না (আহোম নামেৰে) বিদিতাঃ বিজ্ঞাতাঃ অভবন্ (বিখ্যাত)।

২৬নং শ্লোকৰ শব্দার্থ ঃ সশিখৰগিৰিমালাবেষ্টিতং শৃংগময়াদ্রিপংক্তিভিঃ আবৃতম্ (শৃংগময় পর্বত শ্রেণীৰ দ্বাৰা পৰিবেষ্টিত) এষাং ৰাজ্যং এতেষাম্ আহোমনৃপতীনাং ৰাজ্যং (এওঁলোকৰ অর্থাৎ আহোম ৰজাসকলৰ ৰাজ্য) সমতলকুবিভাগৈঃ সমানপৃষ্ঠভূমিভাগৈঃ বর্জিতং বিহীন (সমতল ভূমিহীন) ইতিহাসে শ্রেষ্ঠৰাজ্যং সুৰুচিং যতো বা অথবা যস্মাৎ ইতিহাস প্রসিদ্ধম্ অতীব মনোহৰম্ (ইতিহাস প্রসিদ্ধ এখন শ্রেষ্ঠ ৰাজ্য হেতুকে) মহান্তঃ জ্ঞানিজনাঃ (মহৎ লোকসকলে) অসমম্ ইতি সুসংজ্ঞাং শোভনং নাম ('অসম' এই সুন্দৰ নামটো) দত্তবন্তো আৰোপিতবন্তঃ (দান কৰিছিল)।

২৭নং শ্লোকৰ শব্দার্থ ঃ অস্মদ্ভূমিঃ অস্মদীয়া জন্মভূমিঃ (আমাৰ জন্মভূমি অসম) বিধিনিধিচৰমা বিধৈঃ স্রষ্টুঃ নিধিষু ৰত্নেষু চৰমা শ্রেষ্টা (বিধাতাৰ ৰত্নৰোৰৰ ভিতৰত শ্রেষ্ঠ) শস্যকীর্ণা ধান্যাদিভিঃ পৰিপূর্ণা (শস্যৰাজিৰে পৰিপূর্ণা) সর্বদা সততং (সদায়েই) সুৰূপা শোভনকান্তিযুক্তা (সুন্দৰ)। যস্যাঃ মাতৃভূমেঃ (মাতৃভূমিৰ) পুত্রাঃ পুৰুষাঃ (পুত্রসকল) গুণগণবিমলা স্বগুনৈঃ মালিন্যৰহিতাঃ (সজগুণৰোৰেৰে নির্মল) সম্পদা ধনধান্যাদিভিঃ (ধন-সম্পদেৰে) বৰিষ্ঠাঃ সর্বশ্রেষ্ঠাঃ (শ্রেষ্ঠ) সর্বমান্যাঃ সর্বৈঃ মহনীয়াঃ (মাননীয়)। তস্যাঃ কন্যাঃ নার্য্যঃ (তেওঁৰ কন্যাসকল) প্রবীণাঃ নিপুণাঃ (নিপুণ) সৰসিজনয়নাঃ পদ্মনেত্রাঃ (পদ্মনয়না) সুকেশাঃ দর্শনীয়কচান্বিতাঃ (সুকেশযুক্তা) আসন্ (আছিল)।

৩.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি শ্লোকসমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ সামর্থ হ'ব।

১৫নং শ্লোক ঃ কস্তুৰীমৃগ আৰু হাতী দাঁতৰদ্বাৰা ধন্য, পোকৰ কোষৰ পৰা ওপজা বস্ত্রৰোৰেৰে সুন্দৰ আৰু উপবনৰোৰ থকা এই কামৰূপ প্রদেশলৈ ইচ্ছা কৰি কার্ত্তিকৰ দৰে পৰাক্রমী চুকাফাই হস্তী, যুজাৰু আৰু সাধাৰণ সৈন্যবাহিনী লগত লৈ বিজয় সমৰৰ বাদ্য বজাই এই দেশলৈ (কামৰূপলৈ) যাত্রা কৰিলে।

১৬নং শ্লোক ঃ বিজিতসকলৰ প্রাসাদ চুৰমাৰ কৰা, নিখুঁত সাম্রাজ্যবাদী নৰপতি চুকাফাই সৌমাৰপীঠলৈ আহি মংগল আঁতৰি যোৱাৰ বাবে লজ্জিত হোৱা অথচ ৰাজ্য ৰক্ষাত নিযুক্ত থকা মটক ৰজাক তৎক্ষণাৎ পৰাস্ত কৰিলে।

১৭নং শ্লোক ঃ তাৰ পিছত বিজয়ী ৰজা চুকাফাই কামপীঠত আনন্দেৰে বাস কৰা বহুত ৰজাক এইদৰে পৰাস্ত কৰিলে। লগে লগে এই কামৰূপ প্রদেশত ল'ৰা, বুঢ়া, জ্ঞানী আৰু যুৱক-যুৱতীসকলোৱে তেওঁৰ বিমল যশস্যা গান গাবলৈ ধৰিলে।

১৮ নং শ্লোক ঃ নতুনকৈ চহ কৰা মাটিত প্রকাণ্ড গছে কিছুদিনৰ ভিতৰতেই দৃঢ়মূল সৃষ্টি কৰি লোৱাৰ দৰে নতুনকৈ লাভ কৰা সুন্দৰ ৰাজ্যত গুপ্তচৰৰ চকুৰে চোৱা তেওঁ চিৰকালৰ বাবে সুখ বিলোৱা ৰাজলক্ষ্মী লাভ কৰিলে।

১৯নং শ্লোক ঃ সৰ্বদিশতে পোহৰাই থকা চুকাফাৰ মুকুটমণিৰ প্রভাই আকাশৰ চন্দ্রক প্রহাস কৰি হাঁহিছিল। কিন্তু চন্দ্রৰ জোনাকবোৰৰ সেইবাবে কোনো খং ওপজা নাছিল। আচলতে সজলোকসকলৰ চৰিত্র এনে সুমধুৰেই।

২০নং শ্লোক ঃ ব্রাহ্মণসকলৰ মনত ৰজা (চুকাফা) কল্পবৃক্ষৰ সমান আছিল। তেওঁৰ কল্যাণৰ বাবে ব্রাহ্মণসকলে পুনঃ পুনঃ আশীর্বাদ কৰিছিল। বৌদ্ধধর্মী এজনে যে আনৰ (হিন্দুৰ) পূজনীয় ব্রাহ্মণক সততে সন্মানৰ চকুৰে চাইছিল— ই জগতত অতি বিৰল।

২১নং শ্লোক ঃ তেওঁৰ (চুকাফাৰ) সুন্দৰ ৰাজ্যত চোৰে চুৰ কৰা নাছিল, অসৎ লোকসকলে ৰাজ্যৰ সুখ্যাতিত কলংক সনা নাছিল। আকৌ প্রজাসমূহৰ ভিতৰত কামুকৰ স্বেচ্ছাচাৰিতা নচলিছিল। মুঠৰ ওপৰত তেওঁ প্রজাসকলৰ মাজত সকলো সুখ অটুট ৰাখিছিল।

২২নং শ্লোক ঃ আশ্রিতৰ আশ্রয় স্বৰূপ তেওঁ ভিক্ষাৰীবিলাকক বহু ধন বিলাই দিছিল, তথাপি তেওঁৰ (চুকাফাৰ) ৰাজভড়াল কেতিয়াও শূন্য হোৱা নাছিল। কাৰণ দানশীল কল্পবৃক্ষই মানুহৰ ইচ্ছা অনুসৰি ধন-ৰত্ন দিয়ে কিন্তু কেতিয়াও দৰিদ্রতাৰ কথা নকয়।

২৩নং শ্লোক ঃ ইয়াৰ পিছত ৰজা চুকাফাই নিজৰ ভাষা এৰি এই কামৰূপ প্রদেশত প্রচলিত পবিত্র ভাষা ব্যৱহাৰ কৰিছিল। বলেৰে জয় কৰা প্রজাসকলক সন্তুষ্ট ৰাখিবলৈ চকু ৰখা ৰজাৰ পক্ষে এনে কাম প্রশংসনীয় বুলি মানুহে সদায় কয়।

২৪নং শ্লোক ঃ হে সাধুসকল! বিশাল পৃথিৱীত যাৰ যশস্যা বিয়পিছিল সেই ৰজাৰ বর্ণনা এই কবিজনাই কেনেকৈ লিখিম। বহু সম্পদ লাভ কৰাত সুনিপুণ তেওঁ (চুকাফা) উপযুক্ত সময়ত দেৱতাসকলেৰে সৈতে সমান উপভোগী হৈছিল।

২৫নং শ্লোক ঃ বিজয়ৰ স্বৰূপ বিভৰেৰে পৰিপূর্ণ তেওঁৰ (চুকাফাৰ) বংশত শত শত নৰপতিয়ে তেওঁৰ ৰাজ্য অলংকৃত কৰিছিল। অন্য বংশৰ ৰজাই তেওঁলোকৰ (চুকাফাৰ বংশৰ ৰজাৰ) সমান স্থান অধিকাৰ কৰিব নোৱাৰিছিল। এতিয়াও তেওঁলোক (সেই বংশধৰসকল) পৃথিৱীত আহোম নামেৰে বিখ্যাত।

২৬নং শ্লোক ঃ শৃংগময় পর্বত শ্রেণীৰদ্বাৰা পৰিবেষ্টিত এওঁলোকৰ ৰাজ্য সমতল ভূমিহীন আৰু ইতিহাস প্রসিদ্ধ এখন শ্রেষ্ঠ ৰাজ্য হেতুকে মহৎ লোকসকলে এই ৰাজ্যক 'অসম' এই সুন্দৰ নামটো দান কৰিছিল।

২৭নং শ্লোক ঃ আমাৰ জন্মভূমি (অসম) বিধাতাৰ ৰত্নবোৰৰ ভিতৰত শ্রেষ্ঠা, শস্যৰাজিৰে পৰিপূর্ণা তথা অতি সুন্দৰ। এই জন্মভূমিৰ পুত্রসকল সজগুণবোৰেৰে নির্মল, সুখ-

সম্পদৰদ্বাৰা সকলোৰে ওচৰত মাননীয় আৰু শ্রেষ্ঠ আছিল। তথা কন্যাসকল কার্য্যদক্ষা, পদ্মনয়না, সুকেশযুক্তা আৰু পৰম নিপুণা আছিল।



জানি থোৱা ভাল

- আহোমবংশীয় ৰজাসকলে একাদশ শতাব্দীৰ পৰা ঊনবিংশ শতাব্দী পর্যন্ত অসম ৰাজ্য শাসন কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ চুকাফাই কাক বহু সম্পদ দান কৰিছিল?

.....

প্রশ্ন নং ৭ ঃ কল্পবৃক্ষই মানুহক কি দিয়ে?

.....

প্রশ্ন নং ৮ ঃ চুকাফাই নিজৰ ভাষা ত্যাগ কৰি কি ভাষা গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ৯ ঃ চুকাফা বংশীয় ৰজাসকল কি নামেৰে বিখ্যাত?

.....

প্রশ্ন নং ১০ ঃ আহোমসকলে বাস কৰা ভূমিক কি নামেৰে জনা যায়?

.....



৩.৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- প্রথম প্রবাহৰ শ্লোকসমূহৰ (১৫-২৭) সংস্কৃতপাঠ পঢ়িবলৈ পালে।
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ অর্থ জানিব পাৰিলে।
- নির্ধাৰিত প্রতিটো শ্লোকৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিবলৈ সমর্থ হ'ল।
- ৰজা চুকাফাৰ বীৰত্ব আৰু মহানতা জানিব পাৰিলে।



৩.৫ অধিক জানিবলৈ

১) শর্মা, ড° দীপক কুমাৰ, *ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী,* নলবাৰী ঃ কিতাপ ঘৰ।



৩.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ কার্ত্তিকৰ নিচিনা।

২নং প্রশ্নৰ উত্তৰ ঃ মটক ৰজাক।

৩নং প্রশ্নৰ উত্তৰ ঃ কামপীঠৰ কামৰূপ প্রদেশত।

৪নং প্রশ্নৰ উত্তৰ ঃ কল্পবৃক্ষৰ লগত।

৫নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধধর্মৰ প্রতি আনুগত্য আছিল।

৬নং প্রশ্নৰ উত্তৰ ঃ ভিক্ষাৰী বিলাকক।

৭নং প্রশ্নৰ উত্তৰ ঃ মানুহৰ ইচ্ছা অনুসৰি সম্পদ দিয়ে।

৮নং প্রশ্নৰ উত্তৰ ঃ কামৰূপ প্রদেশত প্রচলিত জনতাৰ ভাষা গ্রহণ কৰিছিল।

৯নং প্রশ্নৰ উত্তৰ ঃ 'আহোম' নামেৰে বিখ্যাত হ'ল।

১০নং প্রশ্নৰ উত্তৰ ঃ 'অসম' নামেৰে জনা যায়।



৩.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ কামৰূপ প্রদেশৰ সুন্দৰ চমু বর্ণনা এটি দাঙি ধৰক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চুকাফাৰ বিষয়ে কিছু পৰিচয় দাঙি ধৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ প্রথম প্রবাহৰ শ্লোকসমূহৰ (১৫-২৭) সাৰাংশ লিখক।

*** ***** ***